**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-07-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin
## Headlines

ৰাজ্যত বৰষুণ নহ'লে খৰাং পৰিস্থিতি ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰকাশ কৰিছে। বৰষুণৰ অভাৱত খেতি-পথাৰত চিৰাল ফাঁট মেলাত কৃষকে ভুঁই ৰুৱ নোৱাৰা অৱস্থাৰ সৃষ্টি হোৱা সন্দৰ্ভত কালি সাংবাদিকৰ আগত উল্লেখ কৰি ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ৰাজ্যৰ শেহতীয়া খৰাং পৰিস্থিতি সন্দৰ্ভত চৰকাৰে নজৰ ৰাখিছে। সাধাৰণতে অসমত আগষ্টলৈকে কঠীয়া পাৰিব পাৰি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে যদি বৰষুণ নহয়, তেতিয়াহ'লে চৰকাৰে ৰাজ্যত আনুষ্ঠানিকভাৱে খৰাং পৰিস্থিতি ঘোষণা কৰিব লাগিব। ইতিমধ্যে ইয়াৰ বাবে চৰকাৰে প্ৰস্তুতিও চলাই আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। খৰাং পৰিস্থিতি ঘোষণা হ'লে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ পৰা কৃষকসকলক ৰাজ্য চৰকাৰে সহায় কৰিব পাৰিব বুলি তেওঁ জানিবলৈ দিয়ে। উল্লেখযোগ্য যে ৰাজ্যত অস্বাভাৱিকভাৱে বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ ফলত ২৭ খন জিলাৰ ঠায়ে ঠায়ে খৰাং সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে। ইয়াৰে ১৪ খন জিলাত বৰষুণ যথেষ্ট হ্ৰাস পোৱাৰ লগতে ১৩ খন জিলাত বৰষুণ পূৰ্বৰ তুলনাত কিছু পৰিমাণে হ্ৰাস পাইছে। যাৰবাবে এই জিলাকেইখনৰ কৃষকসকল তীব্ৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই গৃহমন্ত্ৰী অমিত শ্বাহক নতুন দিল্লীত সাক্ষাৎ কৰি ৰাজ্যৰ শেহতীয়া খৰাংসদৃশ পৰিস্থিতিৰ বিষয়ে ইতিমধ্যে অৱগত কৰিছে। ৰাজ্যত খৰাংসদৃশ পৰিস্থিতিয়ে দেখা দিলে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি শিতানৰ পৰা অসমক সহায় কৰিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক মন্ত্ৰী শ্ৰী মহন্তই অনুৰোধ জনাইছে। এই সন্দৰ্ভত ৰাজহ মন্ত্ৰীগৰাকীয়ে গৃহমন্ত্ৰীৰ হাতত এখন পত্ৰও অৰ্পণ কৰিছে। যোৱা বৃহস্পতিবাৰে ৰাজহ মন্ত্ৰী কেশৱ মহন্তই গৃহমন্ত্ৰী শ্ৰী শ্বাহক সাক্ষাৎ কৰাৰ সময়ত গৃহমন্ত্ৰীগৰাকীয়ে বিষয়টো সন্দৰ্ভত সকলোধৰণৰ সহযোগিতাৰ আশ্বাস দিছে।

00000000

তিনিচুকীয়াত কালি কেইবাটাও কাৰ্যসূচীৰ পঞ্চায়ত আৰু গ্ৰমোন্নয়ন তথা পৰ্যটন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস উপস্থিত হয়। তেওঁ জিলাখনৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান, সাধাৰণ প্ৰশাসন, পৰ্যটন আদি বিভাগৰ বিষয়া-কৰ্মচাৰীৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনৰ ঘৰসমূহৰ নিৰ্মাণ ৩১ অক্টোবৰৰ ভিতৰত সমাপ্ত কৰিবলৈ তেওঁ আহ্বান জনায়। মন্ত্ৰী শ্ৰী দাসে জিলাখনত নিৰ্মাণ কৰা অত্যাধুনিক চৰকাৰী আৱৰ্তভৱন পৰিদৰ্শন কৰি ১৫ অক্টোবৰত ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ভৱনটো উদ্বোধন কৰিব বুলি উল্লেখ কৰে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে তিনি চুকীয়াৰ পৰ্যটন কেন্দ্ৰ পৰিদৰ্শন কৰি এই কেন্দ্ৰসমূহৰ বুজ লোৱাৰ লগতে এখন গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। তেওঁ জিলা বিজেপিৰ কাৰ্যালয়ত জিলা পৰিষদৰ সভাপতি নিৰ্বাচনৰ বাবে এখন সভাতো অংশগ্ৰহণ কৰে।

00000000

অসম জাতীয়তাবাদী যুৱ পৰিষদৰ ২৫ সংখ্যক প্ৰতিষ্ঠা দিৱস দুদিনীয়া কাৰ্যসূচীৰে কালিৰে পৰা শিৱসাগৰৰ যুৱদল প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছে। কালি পুৱা পতাকা উত্তোলন, ছহিদ তৰ্পণ, সতীৰ্থ স্মৰণ, সাংগঠনিক কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাৰ পিছতেই মুকলি সভা উদ্বোধন কৰা হয়। এই সভাতে সংগঠনটোৱে ২০২৫ বৰ্ষৰ বাবে প্ৰাগ নিউজৰ সাংবাদিক উৎপল বৰাক সংবাদজ্যোতি বঁটা প্ৰদান কৰে। মুকলি সভাত মুক্তি জননী শীৰ্ষক এখন স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি চিত্ৰাংকণ প্ৰতিযোগিতা আৰু সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হয়।

০০০০০০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত কালি দিনজোৰা প্ৰশিক্ষণ কাৰ্যসূচীত বৈজ্ঞানিকভাৱে কাঠফুলা উৎপাদনৰ ক্ষেত্ৰত কৃষকসকলক প্ৰশিক্ষণ দিয়া হয়। বিশ্ববিদ্যালয়খনৰ গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰত আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচীত কেইবাগৰাকীও খেতিয়কৰ লগতে গ্ৰাম্যাঞ্চলৰ যুৱক, বিশেষজ্ঞ আৰু শিক্ষকসকলে অংশগ্ৰহণ কৰে। যোৰহাট, গোলাঘাট, শিৱসাগৰ আৰু মাজুলীৰ কেইবাগৰাকীও প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণ কাৰ্যসূচীত ড০ অপূৰ্ব দাসে সমন্বয়কৰ ভূমিকা গ্ৰহণ কৰে।

০০০০০০০০

হোজাই জিলা সাহিত্য সভাৰ কুঁহি উপসমিতিৰ উদ্যোগত আৰু ঠাইচুপৰীয়া শাখা সাহিত্য সভাৰ সহযোগত কালিৰে পৰা সৃষ্টিশীল নৃত্যৰ তিনি দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালা অনুষ্ঠিত হৈছে। কালি বিয়লি মইনাপুৰৰ শ্ৰীশ্ৰী শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ত এই কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। ৩০ গৰাকী প্ৰশিক্ষাৰ্থী অংশগ্ৰহণ কৰা এই কৰ্মশালাত নৃত্যশিল্পী কুমকুম বৰা আৰু প্ৰিয়ংকা বৰাই নৃত্যৰ প্ৰশিক্ষণ দিব।

০০০০০০০০

দুলীয়াজান আৰক্ষীয়ে যোৱানিশা অভিযান চলাই তিনিজনীয়া এটা ডকাইতৰ দলক আটক কৰে। ৰাজ্যৰ বিভিন্ন স্থানত ডকাইতি কৰি ত্ৰাসৰ সৃষ্টি চলোৱা এই দলটোক দুলীয়াজান আৰক্ষীয়ে ডেইলি বজাৰ আৰু টিপলিং তিনিআলিৰ পৰা আটক কৰে। অৱশ্যে আৰক্ষীয়ে অভিযান চলোৱাৰ সময়ত এজন ডকাইতে পলায়ন কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে ওড়িশাৰ পৰা দুখন মটৰ চাইকেলত আহি এই দলটোৱে ৰাজ্যৰ বিভিন্ন স্থানত ডকাইতি কৰি আহিছে।

০০০০০০০০

**সমাপ্ত**